**2 SEM TDC ASM M 1**

**2017**

( May )

# ASSAMESE

( Major )

Course : 201

**( History of Assamese Literature)**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) ‘জাত্ৰিকৰ জাত্ৰা’ৰ মূল ইংৰাজী গ্ৰন্থখনৰ নাম কি?

(খ) *Grammatical Notices of the Assamese Language*-ৰ লেখক কোন?

(গ) ‘অৰুণোদই’ত প্ৰবন্ধ লেখা ‘সোনাৰচাঁদ’ কাৰ ছদ্মনাম আছিল?

(ঘ) প্ৰথমখন আধুনিক অসমীয়া জীৱনী ‘আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত’ৰ লেখক কোন?

(ঙ) 'কমেডি অব এৰ'ৰ্চ'ৰ অসমীয়ালৈ অনূদিত নাটকখনৰ নাম লিখাঁ।

(চ) "প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ।" মন্তব্যটি কোনে কৰিছিল?

(ছ) 'আৱাহন'ৰ প্ৰতিষ্ঠাপক সম্পাদক কোন আছিল?

(জ) মামণি ৰয়চম গোস্বামীৰ প্ৰকৃত নাম কি?

২। (ক) 'অৰুণোদই' কাকতেই "পাশ্চাত্য ভাৱধাৰাৰ বীজ সিঁচি আধুনিকতা প্ৰতিষ্ঠা কৰাত সহায় কৰে"। কথাষাৰৰ আঁত ধৰি অৰুণোদই যুগৰ অসমীয়া সাহিত্যৰ এটি চমু পৰিচয় দাঙি ধৰাঁ। ১০

*অথবা*

(খ) আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠা আৰু বিকাশত খ্ৰীষ্টান মিছনেৰীসকলৰ ভূমিকা আৰু অৱদান সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ।

৩। (ক) হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা স্তৰৰ আধুনিক অসমীয়া সাহিত্যৰ বিশেষত্বসমূহ আলোচনা কৰাঁ। ১৩

*অথবা*

(খ) "হেমচন্দ্ৰ-গুণাভিৰামৰ হাততে অসমীয়া গদ্যই নিজস্ব মহিমা লাভ কৰিলে।" কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰাঁ।

৪। (ক) 'জোনাকী' কাকতকে কেন্দ্ৰ কৰি কেনেকৈ অসমীয়া সাহিত্যত এটা যুগৰ সৃষ্টি হ'ল, সকলো দিশ সামৰি এটা টোকা লিখাঁ। ১৩

*অথবা*

(খ) জোনাকী যুগৰ যি কোনো এগৰাকী লেখকৰ সাহিত্যিক অৱদান সম্পৰ্কে বিবৰি লিখাঁ।

৫। (ক) আৱাহন যুগৰ অসমীয়া নাটকৰ বৈশিষ্ট্য আলোচনা কৰাঁ। ১৩

*অথবা*

(খ) দেৱকান্ত বৰুৱাৰ কবিতা সম্পৰ্কে এটি বিশ্লেষণাত্মক টোকা লিখাঁ।

৬। (ক) যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ গতি-প্ৰকৃতি সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱাঁ। ১৩

*অথবা*

(খ) যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্পৰ বৈশিষ্ট্য আলোচনা কৰাঁ।

৭। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৫×২=১০

(ক) অসমীয়া ভ্ৰমণ-সাহিত্য

(খ) অসমীয়া সাহিত্যৰ ৰূপৰেখা

(গ) অসমীয়া বিজ্ঞান-সাহিত্য

★★★